বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## হজৰত মছীহ মাওউদ (আঃ)ৰ পৱিত্ৰ জীৱনৰ সততা আৰু নিষ্ঠাৰ দিশসমূহ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ৮ মে ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ,কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে প্ৰতিশ্ৰুত মছীহ (আঃ)ৰ জীৱনী বৰ্ণনা কৰি তেওঁৰ সত্যতাৰ মাপকাঠিৰ কিছুমান প্ৰসংগ আৰু ঘটনা উল্লেখ কৰা হৈছিল, আজিও তেনে কেইটামান ঘটনা বৰ্ণনা কৰিম।

হজৰত মছীহ মাওউদ (আঃ)ৰ বিৰুদ্ধে ডং হেনৰী মাৰ্টিন ক্লাৰ্কৰ তৰফৰ পৰা এটা হত্যাৰ গোচৰ তৰা হৈছিল। এয়া এক অত্যন্ত বিপদজনক গোচৰ আছিল। তেখেত (আঃ) য়ে কৈছে যে এই গোচৰটো ইমানেই ভয়াৱহ আছিল যে ইয়াত ফাঁচীৰ শাস্তিও হ'ব পাৰিলেহেঁতেন।

ইহুদীসকলৰ দ্বাৰা ৰোমান আদালতত হজৰত ঈছা (আঃ)ৰ বিৰুদ্ধে চলোৱা গোচৰটোৰ কথা উল্লেখ কৰি তেখেতে কৈছে যে মোৰ বিৰুদ্ধেও ঠিক তেনে ধৰণৰ এটা গোচৰ তৰা হৈছিল। মছীহ (আঃ) ৰ বিৰুদ্ধে ইহুদীসকলে গোচৰ কৰিছিল, কিন্তু এই সাম্ৰাজ্যত মোৰ বিৰুদ্ধে যিজন ব্যক্তিয়ে গোচৰ তৰিছিল তেওঁ আছিল এজন সন্মানীয় পাদুৰী আৰু চিকিৎসক। তেওঁ মোৰ ওপৰত হত্যাৰ গোচৰ চলাইছিল আৰু তাৰ বাবে সাক্ষীসমূহ এনেদৰে সংগ্ৰহ কৰিছিল যে মৌলৱী মহম্মদ হুছেইন বাটালভী, যিজন এই জামাতৰ এজন ঘোৰ শত্ৰু আছিল, তেৰোঁ আদালতলৈ সাক্ষী দিবলৈ আহিছিল। তেওঁ যিমান পাৰে মোৰ বিৰুদ্ধে সাক্ষ্য দিছিল আৰু গোচৰটো সম্পূৰ্ণৰূপে মোৰ বিৰুদ্ধে প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছিল।

এই গোচৰটো গুৰদাসপুৰৰ ডেপুটি কমিছনাৰ কেপ্টেইন ডাগলাছৰ আদালতত চলি আছিল। তেখেত (আঃ)এ কৈছে যে মোৰ বিৰুদ্ধে সকলো সাক্ষ্য অতি তীব্ৰভাৱে দিয়া হৈছিল। এনে পৰিস্থিতিত কোনো আইনজ্ঞ বা জ্ঞানী লোকেও ক'ব নোৱাৰিলেহেঁতেন যে মই নিৰ্দোষী হিচাপে মুক্তি পাম।

কিন্তু আল্লাহ তা'লাই যিদৰে মোক গোচৰটোৰ আগতেই অৱগত কৰিছিল, ঠিক তেনেদৰেই সময়ৰ আগতেই এইটোও প্ৰকাশ কৰি দিছিল যে মই ইয়াৰ পৰা মুক্তি পাম। কেপ্টেইন ডাগলাছৰ বাদীৰ ভাষ্যৰ ওপৰত কিছু সন্দেহ উপজিছিল, সেয়েহে তেওঁ আব্দুল হামিদক আৰক্ষী বিষয়া কেপ্টেইন লেমাৰ্চন্দৰ হাতত অৰ্পণ কৰি পুনৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিছিল। কেপ্টেইনে আব্দুল হামিদক মাতি আনি কৈছিল যে সঁচা কোৱা। কিন্তু আব্দুল হামিদে তেতিয়াও সেই একেই মিছা কাহিনীটোকে দোহাৰি আছিল যিটো তেওঁ আগতে কৈছিল।

অধিনায়ক (কেপ্টেইন) চাহাবে কঠোৰভাৱে কৈছিল যে আচল কথাটো প্ৰকাশ কৰা। তাৰ পাছত তেওঁ আচল সত্যটো খুলি স্পষ্টকৈ স্বীকাৰ কৰিলে যে মোক ভাবুকি দি এই ভাষ্য লিখোৱা হৈছিল। কিন্তু মিৰ্জা চাহাবে মোক কেতিয়াও হত্যাৰ বাবে পঠোৱা নাছিল। অধিনায়কে এই ভাষ্য শুনি সুখী হ'ল আৰু ডেপুটি কমিছনাৰলৈ টেলিগ্ৰাম পঠালে যে আমি গোচৰটো সমাধান কৰি পেলাইছো।

হুজুৰ (আঃ)এ কয় যে সেই সময়ত আদালতত মই দেখিছিলোঁ যে ডেপুটি কমিছনাৰ সত্যটো ওলাই পৰাত অতিশয় আনন্দিত হৈছিল আৰু সেই খ্ৰীষ্টানসকলৰ ওপৰত তেওঁৰ খুব খং উঠিছিল যিসকলে মোৰ বিৰুদ্ধে মিছা সাক্ষ্য দিছিল। তেওঁ মোক কৈছিল যে আপুনি এই খ্ৰীষ্টানসকলৰ বিৰুদ্ধে গোচৰ চলাব পাৰে। কিন্তু যিহেতু মই গোচৰ-মোকৰ্দমাৰ পৰা বিৰত থাকো, সেয়েহে মই ক'লোঁ যে মই গোচৰ কৰিব নিবিচাৰো। মোৰ গোচৰ আকাশত (আল্লাহৰ ওচৰত) দাখিল হৈ আছে।

হুজুৰ কৈছে, এই গোচৰটোতে হজৰত মছীহ মাওউদ (আঃ)ৰ সততা আৰু উচ্চ চৰিত্ৰ সন্দৰ্ভত এজন অ-জামাতী উকীল মৌলৱী ফজল দ্বীন চাহাবৰ এটা মন্তব্য আছে। তেওঁ কয়, মোৰ অন্তৰত মিৰ্জা চাহাবৰ প্ৰতি বহুত সন্মান আছে। মই তেখেতৰ মৰ্যাদা অতি মহান বুলি গণ্য কৰো। যদিও তেওঁৰ দাবীসমূহৰ সন্দৰ্ভত মনোবিজ্ঞানৰ দৃষ্টিৰে মই বিশ্বাস কৰো যে তেওঁৰ বুজাত ভুল হ'ব পাৰে, তথাপিও তেওঁ এজন অতি সৎ মানুহ।

একেটা বৰ্ণনা হজৰত শ্বেখ ইয়াকুব আলী ইৰফানী (ৰাঃ)-ৰ পৰা এজন হিন্দু লালা দিনা নাথে বৰ্ণনা কৰিছে যে এখন সভাত মৌলৱী ফজল দ্বীন চাহাবৰ উপস্থিতিত কোনোবাই মিৰ্জা চাহাবক এনেদৰে বিৰোধিতা কৰিছিল যিটো আছিল অতি নীচ আৰু অভদ্ৰতাৰ পৰিচয়। এইটো শুনি মৌলৱী ফজল দ্বীন চাহাব মৰহুমৰ বহুত খং উঠিছিল। তেওঁ অতি আৱেগেৰে কৈছিল, মই মিৰ্জা চাহাবৰ মুৰিদ নহয়। তেওঁৰ দাবীৰ ওপৰত মোৰ বিশ্বাস নাই। কিন্তু মিৰ্জা চাহাবৰ মহান ব্যক্তিত্ব আৰু চৰিত্ৰৰ মই সাক্ষী। মই এজন উকীল আৰু মোৰ ওচৰলৈ সকলো শ্ৰেণীৰ মানুহৰ গোচৰ আহে। এই ক্ষেত্ৰত মই হাজাৰ হাজাৰ মানুহক দেখিছো যে যাৰেই আইনী পৰামৰ্শৰ বাবে নিজৰ ভাষ্য সলনি কৰাৰ প্ৰয়োজন হয়, তেওঁ বিনা দ্বিধাই নিজৰ কথা সলাই পেলায়। কিন্তু মই মোৰ গোটেই জীৱনত কেৱল মিৰ্জা চাহাবকেই দেখিছো যিয়ে সত্যৰ পথৰ পৰা এখোজো পিছুৱাই যোৱা নাই।

মাৰ্টিন ক্লাৰ্কৰ গোচৰত মই তেওঁৰ বাবে এটা আইনী ভাষ্য লিখি তেওঁৰ আগত দাঙি ধৰিছিলোঁ। তেওঁ সেইটো পঢ়ি কৈছিল যে ইয়াত মিছা লিখা আছে। মই ক'লোঁ যে অভিযুক্তৰ ভাষ্য শপত খোৱা নহয় আৰু আইনমতে তেওঁ যি ইচ্ছা তাকে ক'বলৈ অনুমতি পায়। ইয়াৰ ওপৰত তেখেত (আঃ)এ কৈছিল আইনে হয়তো তেওঁক এই অনুমতি দিছে, কিন্তু আল্লাহ তা'লাই ইয়াৰ অনুমতি নিদিয়ে। গতিকে মই কেৱল সত্যটোহে দাঙি ধৰিম। তাৰ পিছত আমি তেওঁক ক'লোঁ যে আপুনি মাত্ৰ ইমানে কৈ দিয়ক যে মই আব্দুল হামিদক চিনি নাপাওঁ, বাকীখিনি আমি চম্ভালি ল'ম। হজৰত মছীহ মাওউদ (আঃ)এ আমাৰ সকলো পৰামৰ্শ শুনি কয়,

মই পৃথিৱীত সত্যক প্ৰতিষ্ঠা কৰিবলৈ আহিছো, মই কেতিয়াও মিছা নকওঁ, লাগিলে মোক ফাঁচীয়েই দিয়া নহওক কিয়। মই আব্দুল হামিদক জানো। তেওঁ কাদিয়ানলৈ অহা-যোৱা কৰিছিল, মই যিয়েই নহওক কিয় কেতিয়াও ইয়াৰ পৰা অস্বীকাৰ কৰিব নোৱাৰো।

ঘূৰাই-পকাই কথা ক'বলৈ কোৱাত হুজুৰে (আঃ)এ কৈছিল: মই তেনে কৰিব নোৱাৰো। আল্লাহে মোক পৃথিৱীত নিজৰ এক আদৰ্শ স্থাপন কৰিবলৈ পঠিয়াইছে। মই প্ৰাণ ৰক্ষাৰ বাবে তেনে কোনো উদাহৰণ দিবলৈ সাজু নহওঁ। যদি সত্য কওঁতে আমাৰ প্ৰাণো যায়, তথাপিও আমি সফল হ'লোঁ।

যেতিয়া আদালতত হুজুৰৰ (আঃ)ৰ পৰা জবানবন্দী লোৱা হৈছিল, তেতিয়া তেখেতে স্পষ্টকৈ কৈছিল যে মই আব্দুল হামিদক চিনি পাওঁ। এই কথা শুনি আমি নিশ্চিত হৈছিলোঁ যে এতিয়া মুক্তি অসম্ভৱ। কিন্তু এই গোচৰটোত হুজুৰে

(আঃ)এ আল্লাহৰ যি সহায় লাভ কৰিছিল, সেয়া দেখি আমি আচৰিত হৈছিলোঁ যে আল্লাহে কেনেকৈ নিজৰ প্ৰেৰিত পুৰুষজনক সহায় কৰিলে আৰু তেওঁ এই গুৰুতৰ গোচৰৰ পৰা সন্মানসহকাৰে মুক্তি লাভ কৰি সফল হ’ল।

হজৰত মিৰ্জা বছিৰ আহমদ চাহাব (ৰাঃ)এ লিখিছে যে ১৯১৬ চনত মিষ্টাৰ ৰাল্টাৰ আহমদীয়া জামাতৰ বিষয়ে গৱেষণা কৰিবলৈ কাদিয়ানলৈ আহিছিল। তেওঁ ইচ্ছা প্ৰকাশ কৰিছিল যে তেওঁক এই জামাতৰ প্ৰতিষ্ঠাপকৰ কোনোবা পুৰণি সংগীৰ (চাহাবী) সৈতে চিনাকি কৰি দিয়া হওক। সেই সময়ত প্ৰয়াত মুন্সী আৰোৰে খাঁ চাহাব (ৰাঃ) কাদিয়ানত আছিল। মিষ্টাৰ ৰাল্টাৰক মুন্সী চাহাবৰ সৈতে সাক্ষাৎ কৰোৱা হ’ল। আনুষ্ঠানিক কথা-বতৰাৰ পিছত মিষ্টাৰ ৰাল্টাৰে মুন্সী চাহাবক সুধিলে:

আপোনাৰ ওপৰত মিৰ্জা চাহাবৰ সত্যতাৰ কোনটো প্ৰমাণে আটাইতকৈ বেছি প্ৰভাৱ পেলাইছিল?

মুন্সী চাহাবে উত্তৰ দিলে: মই বৰ বেছি শিক্ষিত মানুহ নহওঁ আৰু বেছি বৈজ্ঞানিক বা তাত্ত্বিক যুক্তিও নাজানো। কিন্তু মোৰ ওপৰত যিটো কথাই আটাইতকৈ বেছি প্ৰভাৱ পেলাইছিল সেয়া আছিল হজৰত চাহাবৰ ব্যক্তিত্ব। তেওঁতকৈ বেছি সত্যবাদী, বিশ্বাসী আৰু আল্লাহৰ ওপৰত অধিক ঈমান থকা ব্যক্তি মই দেখা নাই। তেওঁক দেখি কোনেও ক’ব নোৱাৰে যে এই ব্যক্তিজন মিছলীয়া। বাকী মই তেওঁৰ দৰ্শনৰ পিয়াসী আছিলোঁ। মই অধিক যুক্তি-তৰ্কৰ বিষয়ে নাজানো।

হুজুৰে কৈছে: এই কথাখিনি কৈ মুন্সী চাহাবে হজৰত মছীহ মাওউদ (আঃ) ৰ স্মৃতিত ইমানেই ব্যাকুল হৈ পৰিছিল যে তেওঁ হুকহুকাই কান্দিবলৈ ধৰিছিল আৰু কান্দোতে কান্দোতে তেওঁৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম হৈ গৈছিল। এই দৃশ্য দেখি মিষ্টাৰ ৰাল্টাৰৰ মুখমণ্ডল শেঁতা পৰি গ’ল। তেওঁ নিজৰ কিতাপ “আহমদীয়া মুভমেণ্ট”-ত এই ঘটনাটো বিশেষভাৱে উল্লেখ কৰি লিখিছে যে,

যিজন ব্যক্তিয়ে নিজৰ সান্নিধ্যত এই ধৰণৰ মানুহ গঢ়ি তুলিছে, তেওঁক আমি অন্ততঃ প্ৰৱঞ্চক ক’ব নোৱাৰো।

মিৰ্জা ৰহিম বখশ চাহাবে বৰ্ণনা কৰিছে যে মই এজন আহমদীক লগ পাইছিলোঁ। কিছু কথা-বতৰা হ’ল আৰু মই পতিয়ন গ’লোঁ। সেইদিনা ৰাতি মই এটা সপোন দেখিলো যে আমি চাৰি ভাই এটা পাহাৰৰ গুহাত হেৰাই গৈছোঁ, পথ বিচাৰি পোৱা নাই। তাৰ পিছত মই এফালেদি বগাই ওপৰলৈ উঠি আহিলোঁ। মই দেখিলোঁ যে এখন ৰেল চলি আছে কিন্তু গাড়ীখন মাটিৰ পৰা বহুত ওপৰত। মই আচৰিত হ’লোঁ যে কেনেকৈ উঠিম। এজন মানুহ থিয় হৈ আছিল, তেওঁ ক’লে যে আকাশৰ পৰা যিডাল জৰী ওলমি আছে সেইডাল ধৰা, তেতিয়াহে ওপৰলৈ উঠিব পাৰিবা।

ৰাতিপুৱা ইব্ৰাহিম চাহাব মোৰ ওচৰলৈ আহিল। মই তেওঁক সপোনটো ক’লোঁ। তেওঁ পবিত্ৰ কোৰআন উলিয়াই ’ৱা’তাছিমু বিহাবলিল্লাহ’ (আৰু আল্লাহৰ জৰীডালক টানকৈ ধৰি ৰাখা) আয়াতটো দেখুৱাই ক’লে যে এয়া আল্লাহৰ জৰী ধৰিবলৈ এটা ইংগিত। মই লগে লগে বয়াতৰ (আনুগত্যৰ শপত) বাবে চিঠি লিখিলোঁ। উত্তৰ আহিল যে বয়াত মঞ্জুৰ হৈছে কিন্তু এবাৰ কাদিয়ানলৈ নিশ্চয় আহিব।

তেওঁ কৈছে যে যেতিয়া মই অমৃতসৰ ষ্টেচনৰ পৰা বাটালা অভিমুখী গাড়ীত বহিলোঁ, তেতিয়া দুজনমান বৃদ্ধ শিখ মোৰ ওচৰত বহিল। তেওঁলোকে মোক সুধিলে ক’লৈ যোৱা? মই ক’লোঁ কাদিয়ানলৈ। তেওঁলোকে সুধিলে, মিৰ্জাৰ কাদিয়ানলৈ? মই ক’লোঁ, হয়। মই তেওঁলোকক হজৰত চাহাবৰ বিষয়ে সুধিলোঁ যে তেওঁ কেনেকুৱা লোক? তেওঁলোকে নিজৰ বুদ্ধি অনুসৰি ক’বলৈ ধৰিলে যে তেওঁ (মিৰ্জা চাহাব) বৰ বিখ্যাত আৰু তেওঁ খোদায়ীৰ (ঈশ্বৰত্বৰ) দাবী কৰে। মই ধেমালি কৰি ক’লোঁ যে মই মিৰ্জাক জানো, শিয়ালকোটত তেওঁ আৰু মোৰ দেউতা একেলগে চাকৰি কৰিছিল আৰু তেওঁলোকে একেলগে ভাং খাইছিল। মই এইটো ধেমালিতেই কৈ দিছিলোঁ। ইয়াৰ ওপৰত শিখসকলে ক’লে, মিয়াঁ! এইটো কেতিয়াও নক’বা। তেওঁ এজন সাধু পুৰুষ আৰু অত্যন্ত সত্যবাদী তথা বিশ্বাসী লোক। তেওঁ ইমানেই বিখ্যাত যে মানুহে তেওঁৰ উদাহৰণ দিয়ে। আমাৰ মাজত কোনোবাই সঁচা কথা ক’লে মানুহে কয় যে—তুমি কি মিৰ্জা গোলাম মুৰ্তজাৰ ল’ৰা নেকি? এয়া এক উদাহৰণ হৈ পৰিছে।

এজনে ক'লে যে তেওঁ আমাৰ লগত সৰুতে খেলিছিল। আমি তেওঁক এজন জমিদাৰৰ পুত্ৰ হিচাপে সন্মান কৰিছিলোঁ। লাহে লাহে তেওঁৰ মাজত পৰিৱৰ্তন আহিল আৰু তেওঁ ভিতৰতে সোমাই থকা হ'ল (অৰ্থাৎ নিৰ্জনবাসী হ'ল)। তেওঁলোকে ভাবিছিল যে তেওঁ ভিতৰত বহি যাদু কৰিছে (যাদু বিদ্যা শিকিছে) আৰু কাদিয়ানৰ চাৰিওফালে চাৰি মাইললৈকে তেওঁ যাদু কৰি দিছে। যিকোনো ধৰ্মৰ লোক তেওঁৰ ওচৰলৈ গলে তেওঁ নিজকে তেওঁলোকৰ ধৰ্মৰ পৰাই সত্য বুলি প্ৰমাণ কৰি দিয়ে আৰু কয় যে মই আকাশৰ পৰা আহিছোঁ।

তেওঁ কয় যে মই তেওঁলোকৰ পৰা এইবোৰ কথা শুনিলোঁ। যেতিয়া মই কাদিয়ানৰ অতিথিশালাত উপস্থিত হ'লোঁ, তাত তিনি-চাৰিজন ল'ৰা আছিল। মই পৰীক্ষা কৰিবলৈ তেওঁলোকৰ লগত বৰ কঠোৰভাৱে কথা পাতিলোঁ, কিন্তু মোৰ কঠোৰতাৰ বিপৰীতে তেওঁলোকে অতি নম্ৰতা আৰু ভদ্ৰতাৰে ব্যৱহাৰ কৰিলে। কাদিয়ানত বৰ প্ৰচণ্ড গৰম আছিল। মই উভতি যাব খুজিছিলোঁ কিন্তু এজন আৰৱীয় লোকক লগ পালোঁ। তেওঁ ক'লে, যেতিয়া আহিছায়ে, তেন্তে হজৰত চাহাবক নেদেখাকৈ নাযাবা। এই সময় পুনৰ ঘূৰি নাহিব।

এইখিনি সময়তে আজান হ'ল আৰু মই ভাবিলোঁ নামাজ পঢ়ি লওঁ। নামাজৰ পিছত হুজুৰ (আঃ) মজলিচত বহিল। তেখেত মূৰ তললৈ কৰি আছিল। মই সন্মুখতে থিয় হৈ আছিলোঁ আৰু মোৰ দাড়ি-গোঁফ একোৱেই নাছিল। মই মনতে ভাবিলোঁ যে যেতিয়ালৈকে মই এই ব্যক্তিজনৰ মুখখন নেদেখিম, তেতিয়ালৈকে বিশ্বাস নকৰোঁ। অলপ সময়ৰ পিছত হজৰত চাহাবে মুখখন দাঙি চালে, মই মনতে ক'লোঁ— তেখেত সত্যবাদী। তাৰ অলপ পিছত তেওঁ পুনৰ মূৰ তুলি চালে, মই ক'লোঁ— "আমান্না" (অৰ্থাৎ মই বিশ্বাস কৰিলোঁ)। তৃতীয়বাৰ যেতিয়া চালে, মই যেন তেওঁৰ প্ৰতি উৎসৰ্গিত হৈ পৰিলোঁ।

হজৰত চৌধুৰী ছাৰ জাফৰুল্লাহ খান চাহাব (ৰাঃ) এ বৰ্ণনা কৰিছে:

যেতিয়া মই প্ৰথমবাৰৰ বাবে লাহোৰত হজৰত মছীহ মাওউদ (আঃ) ক দৰ্শন কৰিছিলোঁ, সেই সময়ত মোৰ মনত যি প্ৰভাৱ পৰিছিল সেয়া আছিল এই যে এই ব্যক্তিজন সত্যবাদী আৰু তেওঁ যি কয় সেয়া সঁচা। আল্লাহ তা'লাৰ ফালৰ পৰা তেখেতৰ প্ৰতি মোৰ অন্তৰত এনে এক প্ৰেমৰ ভাৱ সৃষ্টি কৰিছিল যে সেয়াই মোৰ বাবে হুজুৰ (আঃ) ৰ সত্যতাৰ আচল প্ৰমাণ হৈ পৰিল। মই যদিও সেই সময়ত শিশু আছিলোঁ, কিন্তু তেতিয়াৰে পৰা আজিলৈকে মোক কেতিয়াও কোনো যুক্তি বা প্ৰমাণৰ প্ৰয়োজন হোৱা নাই। পাছলৈ ধাৰাবাহিকভাৱে এনে কিছুমান ঘটনা ঘটি থাকিল যিবোৰে মোৰ ঈমান (বিশ্বাস) অধিক মজবুত কৰিলে। কিয়নো মই হজৰত মছীহ মাওউদ (আঃ) ক কেৱল তেখেতৰ পবিত্ৰ মুখমণ্ডল দেখিয়েই বিশ্বাস কৰিছিলোঁ আৰু সেই প্ৰভাৱটোৱেই এতিয়ালৈকে মোৰ বাবে হুজুৰ (আঃ) ৰ দাবীৰ সত্যতাৰ আটাইতকৈ ডাঙৰ প্ৰমাণ হৈ আছে।

আল্লাহ তা'লাই আমাক এই সত্যক উপলব্ধি কৰি সত্যৰ ওপৰত অটল থকাৰ আৰু সদায় সত্যৰ উচ্চ মানদণ্ডত আমল কৰাৰ তৌফিক দান কৰক। আমীন।

**اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لاَّ اِلٰہَ اِلاَّ اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ ۔**

**Assamese Khulasa Khutba Hazur Anowar 08 May 2026**

**Nazarat Nashor-O-Ishaat Qadian**